# *ASSAMESE SECTION*

# CONTENTS


| ASSAMESE SECTION | | PAGE NO |
|---|---|---|
| 1. জীৱন | Bikramjit Choudhury | 63 |
| 2. মদে কি খাই ? | Bhuman Jyoti Das | 64 |
| 3. প্ৰকৃতি | Sandeep Kumar Rajak | 65 |
| 4. মৰিচিকা | Samujjwal Konch | 66 |
| 5. প্ৰেম | Prabal Baishya | 67 |
| 6. ওণ | Dewasish Borah | |
| 7. তই ফুল হৈ ফুলিবলৈ ভাল পাৱ.. | Sasanka Kakati | 69 |
| 8. গাওঁখন আজি গাওঁ হৈ থকা নাই | Tanmoy Das | 70 |
| 9. শা | Chinmoy Ahmed | 71 |
| 10. ৱনৰ অৰ্থ কি? | Arnabjyoti Roy | 72 |
| 11. মানুহ | Manash Jyoti Baishnob | 73 |
| 12. ভুল নুবুজিবা | Pranjit Das | 74 |
| 13. লক্‌ডাউন | Dipanjal Baishya | 75 |
| 14. মই লিখো কাৰণ........ | Pratik Kumar Roy | 76 |
| 15. মাতৃভূমি | Swapnali Devi | 77 |
| 16. মা-দেউতা | Partha Parashar | 78 |
| 17. বিষাক্ত পাত | Babul Hoque | 79 |
| 18. তুমি | Shivam Roy | 80 |
| 19. সময় | Rajdeep Dutta | 81 |
| 20. ৰাতিপুৱাবলৈ এতিয়াও বহুপৰ বাকী | Kaushik Kalita | 82 |
| 21. মানস | Ankita Saikia | 83 |
| 22. নিস্তেজ | Ankita Saikia | 84 |
| 23. অনুভৱ | Jitmoni Gogoi | 86 |

# জীৱন



Bikramjit Choudhury
Assistant Professor
Department of Computer Science and Engineering

শৈশৱ


ফ্লেটৰ চাৰিসীমাত
আৱদ্ধ জীৱন,
মুকলি আকাশ
তৰাৰ জিলিঙণি
যেন অলীক সপোন।
লগ সমনীয়া
খেল ধেমালি,
নিসংগ শৈশৱ
নেপায় বিচাৰি।
মবাইল গেম, কাৰ্টুনৰ
ভাৰ্চুৱেল পৃথিৱীত,
কাইলৈৰ অপৰিপক্ক নাগৰিকৰ
চৰিত্ৰ গঠন।

যৌৱন

লৰা ঢপৰা টনা আঁজোৰাত
ব্যতিব্যস্ত জীৱন,
মৰীচিকা খেদোতেই
হেৰাল সপোন।
অকাল বাৰ্ধক্য
যান্ত্ৰিক সম্পৰ্ক,
চচিয়েল মিডিয়াত
ভুৱা বিজ্ঞাপন।
শ্বপিংমল মাল্টিপ্লেক্সত
সুখৰ সন্ধান,
ভাগৰত লেবেজান।

বাৰ্ধক্য

একাকিত্বৰ যন্ত্ৰণাত
দুৰ্বিসহ জীৱন,
এধানমানি সময়
অকণমান সহাৰি
বিচাৰি হাবাথুৰি।
জী-জোঁৱাইৰ
অফিচ,
অকলশৰীয়া বুঢ়া-বুঢ়ী
নাতি আৰু ঘৰ
কৰো চকিদাৰী,
গাওঁৰ ভেটি
আত্মীয়তা সুঁৱৰি,
কংক্ৰিটৰ পৃথিৱীত
মুকলি বতাহ বিচাৰি।



# মদে কি খাই ?

Bhuman Jyoti Das
B.Des 4th year



মদে খাই কি?
বেজাৰ বেথা?
নে
আত্মীয়, সপোন,
গীত-নাট, ছবি, কবিতা?

দুটোপালত ম্লান পৰে
স্মৃতি অতীতৰ,
সময়- বান্ধোনৰ,
দায়িত্ববোধৰ ।

বগা-ৰঙা
ৰঙা-বগাৰ
হিচাপ নিখুঁত,

উকা কপাল,
হৃদয়ত হেজাৰ বেজাৰেৰে
তাই বাট চাই
তাইৰ চেনাইলৈ,

লৈ চকুলো দুচকুত ।

মদে খাই কি?
বেজাৰ n বেথা?

# প্ৰকৃতি

Sandeep Kumar Rajak
CSE Dept (B. Tech 3rd year)



প্ৰকৃতিৰ কাল্পনিক সৌন্দৰ্য্য, প্ৰকৃতিৰ বন্ধুত্বৰ সামাজিক সম্প্ৰীতি।
প্ৰেম আৰু শান্তিৰ মূল, প্ৰকৃতিৰ মাজত প্ৰেমৰ পবিত্ৰতা।
প্ৰেমৰ বিল, প্ৰজ্ঞাৰ সোণালী দিগন্ত।
বন্‌ধুত্বৰ সামাজিক অভিজ্ঞতা, প্ৰকৃতিৰ চিৰন্তন সৌন্দৰ্য্য।
প্ৰকৃতিত বন্‌ধুত্বৰ সমন্বয়, বিজয়ৰ আনন্দ আকাশলংঘী।
পৰিয়ালত প্ৰেমৰ বৃদ্ধি, প্ৰকৃতিৰ সৌন্দৰ্য্যৰ বৃদ্ধি।
মানুহ আৰু প্ৰকৃতিৰ মিলন, সকলো বিদ্ৰুপ বেলেগ বেলেগ।
প্ৰকৃতিৰ মাজত প্ৰকৃতিৰ বন্ধুত্ব অৰ্জন কৰি সৃষ্টিৰ সৌন্দৰ্য্য এই মিলনত জিলিকি উঠে।
প্ৰেমে আন্ধাৰত প্ৰকৃতিক আকোৱালি লয়, আনন্দত প্ৰকৃতিৰ সৌন্দৰ্য্যক স্পৰ্শ কৰে।
বন্‌ধুত্বৰ আকাংক্ষা হৈছে প্ৰকৃতিৰ অনুভূতি, মানুহ আৰু প্ৰকৃতিৰ মিলনত প্ৰেমৰ সৌন্দৰ্য্য।
প্ৰকৃতিৰ সৌন্দৰ্য্য অনন্য, কৰি সৃষ্টিৰ সৌন্দৰ্য্য এই মিলনত জিলিকি উঠে।
প্ৰেমে আন্ধাৰত প্ৰকৃতিক আকোৱালি লয়, আনন্দত প্ৰকৃতিৰ সৌন্দৰ্য্যক স্পৰ্শ কৰে।
বন্‌ধুত্বৰ আকাংক্ষা হৈছে প্ৰকৃতিৰ অনুভূতি, মানুহ আৰু প্ৰকৃতিৰ মিলনত প্ৰেমৰ সৌন্দৰ্য্য।
প্ৰকৃতিৰ সৌন্দৰ্য্য অনন্য, বন্ধুত্বৰ পবিত্ৰতা চিৰন্তন।
মানুহ আৰু প্ৰকৃতিৰ মিলনৰ মাজেৰে সৃষ্টিৰ সৌন্দৰ্য্য জিলিকি উঠক।




# মৰিচিকা



Samujjwal Konch
FET Dept. (B. Tech 3rd year)

এসাগৰ অপেক্ষা,
বাৰে বাৰে হৃদয়ত ব্যাকুলতাৰ কুঠাৰাঘাত,
আলমাৰিৰ অৱহেলিত কিতাপখন হৈ কিয় ৰৈ আছা ?
বাস্তৱৰ পৰা পলাই কল্পনাত কিয় ৰহন সানিছা ?
কুন্ঠিত অনুভৱৰ পাহাৰখন হৃদয়ত কিয় বনাই আছা ?
শুনিছো পাহাৰখন বোলে মৰিচিকা সদৃশ,
যেন ইৰীনত এখন নৈ,
নিজকে প্ৰশ্ন কৰাচোন।
ৰঙবিহীন ৰঙেৰে জানো ফাকু খেলিব পাৰি ?
তোমাৰ বাৰু কান্দিব মন নাযায় নে !
হতাশাৰ নেলু চেপি,
মূল্যাংকনহীনতাত ভোগা অনুভৱখিনিৰ কেঁচা গোন্ধ!
অৱশিষ্ট।




# প্ৰেম



Prabal Baishya
CSE Dept. (B. Tech 3rd year)

শুই পৰা পৃথিৱীৰ কোলাত বহি,
উজাগৰী নিশা
নীলা আকাশৰ তৰা গণি...
প্ৰাণ পোৱা ,
তুমিয়েই এমুঠিমান হৃদয়ৰ কবিতা।
পোৱা-নোপোৱাৰ
অজুহাতৰ আওতাত
অক্লান্ত প্ৰেমিকজন মইয়ে ।
নিশাবোৰ এতিয়া ,
গভীৰতাৰ কোলাত..
স্বপ্নবোৰ ঠুনুকা,
অকালতে সৰি পৰে
দুচকুৰ টোপাল।
ভাগৰুৱা প্ৰেমিকজন মইয়ে,..।
নিশাবোৰত নিয়ৰৰ টোপাল গছকি,
জোনাক বিছৰা প্ৰেমিকজন মইয়ে,..।
তুমি মাথো ,
মোৰ ডায়েৰীৰ উকা পৃষ্ঠা।



# শাওণ

Dewasish Borah
ECE Dept. (B. Tech 3rd year)



তুমি আহিবা,

শাওণৰ বলিয়া বান হে ,
দুয়োপাৰ উপচাই তুলিবলৈ।
মচিবলৈ চকুলো বিষাদৰ।
তুমি নামিবা,
বৰষুণ হে ,
মৌনতাৰ আচল আঁতৰাবলৈ।
ধুই নিবলৈ স্মৃতি বেদনাৰ।
তুমি আহিবা,
পূৱাৰ হাঁহি হে ,
চেচা বতাহ লৈ মোক চুমিবলৈ
সন্ধিয়াৰ চন্দ্ৰমাৰ পৰশত মোক উজলাবলৈ,
তোমাৰ মাজত বিচাৰি পাম নিজক।
দুচকুৰ নীলাখিনি ঢালিবা।
পাৰ কৰিম বহু নিবিড় মুহুৰ্ত।
অপেক্ষা মাথোঁ তুমি অহাৰ ।

# তই ফুল হৈ ফুলিবলৈ ভাল পাৱ..



Sasanka Kakati
IE Dept B. Tech 4th Sem

তই ফুল হৈ ফুলিবলৈ ভাল পাৱ..
নান্দনিক চিজনেল এপাহ
চেৰীফুল কিম্বা ৰ'ডডেন্দ্ৰন
মই কি হম!
বুকুৰ আওপুৰণি ইতিহাস
আকৌ আওৰাম!
দুৰ্বল, কাঁইটীয়া,
চুই দিলেই সৰি পৰা
আউটডেটেদ এপাহ গোলাপ..
বুকুৰ আওপুৰণি  ইতিহাস
আকৌ আওৰাম!
মই সদায় তোক ভাল পাই ৰম।



# গাওঁখন আজি গাওঁ হৈ থকা নাই

Tanmoy Das
ECE Dept. (B. Tech 2nd year)



গাঁওখনত আজি সেই পাৰ নেদেখা
পথাৰখন নাই,
হাল বাওঁতে আজিকালি
বলধ কেইহালো নেদেখা হ'লো।
আইতাই লৈ যোৱা ভাত মুঠি,
ককাই সেই ডাঙৰ গছ জোপাৰ তলত
বৰ জুতিৰে খাইছিল,
এতিয়া সেই ডাঙৰ গছজোপাও নাই
তাত এটা ঘৰ আছে,
ঘৰটোৰ দেৱালখনৰ কাষতে
সকলোৱে জিৰণি লয়।
ৰচী লগাই জোলনা খেলিবলৈ,
সেই তামোল গছ দুজোপাৰ
এজোপাহে আছে।
ল'ৰাহতে খেলিবলৈ
পথাৰখন আছে,
কিন্তু খেলিবলৈহে সময় নাইকিয়া হ'ল।
চকাটো ঘূৰি গৈছে বুলি কবলৈও,
গাভৰুহঁতে চাইকেলখন নচলোৱা হ'ল
লাজ কৰে বোলে।
গৰুবিহুৰ দিনা,
নদীখনো একেবাৰে নিজান হৈ থাকে
গাওঁখনত গৰুৰ সংখ্যা তাকৰ হৈ গ'ল,
ঘৰে ঘৰে নিয়ম কৰি থৈ দিয়ে।
আচলতে গাঁওখন বহুত উন্নত হ'ল,
গাওঁখন আজি গাওঁ হৈ থকা নাই
পৰিবেশ সলনি হ'ল,
কিন্তু, মোৰহে কিবা ভাল নলগা হ'ল।



(চুটিগল্প)

# আশা

Chinmoy Ahmed
CE Dept. (B. Tech 4th Sem)



তোমাৰ অনুপস্থিতিৰ উমান লৈছিলো !
ৰাতিপুৱা ফুলি থকা ;
শেৱালী জোপাৰ তলত....

তোমাৰ প্ৰেমে মোৰ মনত,
জগাই তুলিছিল ;
এটি ডাঙৰ সপোন ।

হৃদয়ৰ বহু মাজত,
শৰীৰৰ প্ৰতিটো ভাজত
শিয়ৰি উঠিছিল গাৰ প্ৰতিডাল নোম ;
তোমাৰ মৰমত ।

জীৱনৰ প্ৰতিটো সময়
তোমাৰ সতে,
তোমাৰ শুৱলা মাতেৰে
মোৰ মনটো আনন্দিত কৰা,
হাঁহি ধেমালিৰে মোৰ মন উৎফুল্লিত কৰা.....


জীৱনৰ প্ৰতিটো সময়ত যেন.....
তুমি আৰু তোমাৰ বাবে থকা মৰম ;
মোৰ চৌপাশত থাকে,
ভগৱানৰ ওচৰত তাৰেই প্ৰাৰ্থনা ।

# জীৱনৰ অৰ্থ কি?



Arnabjyoti Roy
IE Dept. (B. Tech 2nd year)

প্ৰাপ্তিয়ে যদি জীৱন হয়
জীয়াই থকাৰ অৰ্থ কি?
মৃত্যুয়ে যদি অন্ত হয়
সংগ্ৰামৰ প্ৰয়োজন কি?
পূৰ্ণতা প্ৰাপ্তিয়ে যদি লক্ষ্য হয়
জাতি বিভাজন কিয় হয়?
প্ৰেমেই যদি স্বৰ্গীয় সুখ হয়
অভিমানবোৰ প্ৰয়োজন কিয় হয়?
পৰিপূৰ্ণতা যদি গভীৰ প্ৰশ্ন হয়
নিমাষিত আশাৰ প্ৰয়োজন কিয় হয়?
চৰিত্ৰই যদি সকলো হয়
নাৰীৰ কেঁচা মঙহৰ ব্যৱসায়
বজাৰত কিয় হয়?
বিশ্বাসে যদি তৃপ্তি হয়,
ছোৱালীসন্তানে যদি কলংক হয়
তেন্তে মাতৃৰ প্ৰয়োজন আছে বুলি
সমাজে কিয় কয় ?



# মানুহ

Manash Jyoti Baishnob
CE Dept. (B. Tech 2nd year)



মানুহ দেখিছো
নানান মানুহ
ৰঙীন ৰং হানি
ভাবৰ ভেকুভাবনাৰে
অন্তৰ জয় কৰা
মানুহ দেখিছো
নানান মানুহ।
মানৱৰ মানৱতা
লেখত লবলগীয়া
ক'তযে ভাৱৰীয়া
সুন্দৰ পৃথিৱীৰ
কুৰুপ আবিৰেভৰা
মানুহ দেখিছো
নানান মানুহ।



# ভুল নুবুজিবা




Pranjit Das
CE Dept (B. Tech 4th Sem)

ব্যস্ততাৰ কোলাহলত পাহৰিয়ে গ'লো জানানে ...
ফাগুণৰ প্ৰথমজাক লাজ-কুৰীয়া বৰ্ষাত,
তোমাৰ  সতে তিতাৰ কথা আছিল ।

প্ৰতিটো টোপালে আনি দিয়া শিহৰণত
প্ৰেমৰ কবিতা লিখাৰ কথা আছিল
এহ, হ'ব দিয়া ভুল নুবুজিবা
অনাগত ফাগুণৰ প্ৰথমজাক বৰষুণত তিতিম তোমাৰ সৈতে ...

তেতিয়াই বৰষুণৰ প্ৰতিতো টোপালত
গজালি মেলিব এৰি দিম অনুভৱবোৰক
অহাবছৰৰ পৰাই প্ৰেমত পৰিম তোমাৰ
এতিয়া যে মই সাংঘাতিক ব্যস্ত ,
সুলকাব নোৱাৰা এটা ব্যস্ততাৰ বৃত্তৰে আবৃত মই

হ'ব দিয়া অহাবছৰৰ পৰা ভালপাম তোমাক
ভুল নুবুজিবা ...
এই সময় যে কেৱল মোৰ সময় ।



# লক্ডাউন



Dipanjal Baishya
CE Dept. B. Tech 2nd year

আৰু এবেকা বাকী নাই
ৰাতিটোক দুফাল কৰি বাঢ়ি অহা
পোহৰৰ কোনো তাপ নাই
বেৰৰ জলঙাইদি সোমাই অহা
পানীখিনিৰ কোনো পিয়াহ নাই
নৈৰ ওপৰেৰে বৈ থকা বতাহজাকৰ
কোনো দিশ নাই
জুইৰ দৰে জ্বলি আছে দেহ
পোৰা পোৰা গোন্ধাইছে হুমুনিয়াহ
সুখ নাই, দুখ নাই
কোনো গ্লানি নাই
আছে যদি কেৱল আছে
বাটৰ কাষৰ প্ৰতিজোপা গছৰ তলত
একো একোখন মৃত আকাশ।



# মই লিখো কাৰণ........



Pratik Kumar Roy
FET Dept (B. Tech 2nd year)

কেতিয়াবা যদি দুখ
কেতিয়াবা সুখ
মোৰ ভাৱনাবোৰ
মোৰ সপোনবোৰক
মৰমৰে আকোঁৱালি লয়,
এখিলা কাগজ আৰু কলমে !
মনত দুটামান শব্দৰ সমাহাৰ
য'ত বিচাৰি পাওঁ আবেগৰ ৰামধেনু
নীলা নীলা আখৰে...
উটুৱাই নিয়ে বিষাদবোৰ মনৰ
কঁহুৱা তুলা হৈ...
সেমেকা দুচকুত তৰাবোৰে খেলে
আউসী জোনত মুকুতা সৰে
গভীৰ হয় চনচল এটি মন!
মই লিখো কাৰণ...
ভাল লগা ভালপোৱাৰ এটি মধুৰ ক্ষণ
তাৰ মাজতেই বিচাৰি পাওঁ।



# মাতৃভূমি

Swapnali Devi
CE Dept. (B. Tech 4th Sem)



বাৰে বৰণীয়া কৃষ্টি সংস্কৃতিৰ
এনাজৰীৰ বান্ধোন বিশ্ব বৰণ্য অসম ভূমি।
মনোমোহা প্ৰকৃতিৰ নিয়ম,
ৰূপ সৌন্দৰ্য্যৰে মহিমামণ্ডিত কৰি তোলে
মোৰ মৰমৰ জন্মভূমিক।
এই অসম প্ৰকৃতিৰ চিৰ সেউজীয়া বন - বননিত
জগত বিখ্যাত চাহপাতৰ খেতি,
সোণ বৰণীয়া ধান গুটি.....
অসমৰ বুকুৰে বৈ যোৱা অসংখ্য জান জুৰিয়ে
কুলু কুলু শব্দৰ কল কলণীৰে সঙ্গীতৰ লহৰ তোলে অবিৰত গতিৰে।
মোৰ মৰমৰ মাতৃভূমি অসমতে আছে
কত উদ্যান, বন্যপ্ৰাণীৰ অভয়াৰণ্য, ৰংঘৰ, কাৰেংঘৰ, তলাতলঘৰ
আৰু অসংখ্য মন্দিৰ, মছজিদ ....
এশিঙীয়া গঁড়ে শুৱনি কৰে কাজিৰঙা বননি ...
গতিশীল নদী, চিৰ সেউজ বননি,
শ্যামল পৰ্বত, অৰণ্যৰ জীৱ - জন্তু
আৰু সুখে দুখে জীয়াই থকা আমাৰ মানৱ জাতি।
আকৌ যন্ত্ৰিকতা সদৃশ মগজুৰে
আজিৰ মানৱ সমাজে গঢ়ি তুলিছে
সোণৰূপী অসম খনী।
এই জীৱন মহত্বৰ উপমাহীন প্ৰতিভাৰে পৰিপূৰ্ণ
মোৰ অতি মৰমৰ এইখনি অসম ভূমি ...

# মা-দেউতা

Partha Parashar
ECE Dept. (B. Tech 2nd year)



মা-দেউতা,
যি মোৰ জীৱনৰ অমূল্য সম্পদ।
মা-দেউতা,
যি মোৰ জীৱনৰ সকলোৰে ঊৰ্দ্ধত।
মা, যিয়ে মোক এই ধুনীয়া
পৃথিবীখনলৈ আনিলে।
দেউতা, যিয়ে মোৰ হাতত
ধৰি খোজ কাঢ়িবলৈ শিকালে।
সেয়াই নহয় জানো মা-দেউতা।
মা-দেউতা,
যিয়ে মোক সকলোতকৈ বেছি মৰম কৰে।
মা-দেউতা,
যিয়ে মোৰ সুখত সুখী আৰু মোৰ দুখত দুখ অনুভৱ কৰে।
মা-দেউতা,
যিয়ে মোৰ উপস্থিতিত পূৰ্ণতা আৰু
মোৰ অনুপস্থিতিত শূন্যতা অনুভৱ কৰে।
মা-দেউতা,
যি ভগৱানৰ সৰ্বশ্ৰেষ্ঠ সৃষ্টি।
সেয়াই নহয় জানো মা-দেউতা।

# বিষাক্ত পাত

Babul Hoque
CSE Dept (B. Tech 2nd year)



হৃদয়ৰ বাগিছাত, যি জোপা গছক
সযতনে ৰাখিছিলো,
ঘৰ সজাৰ সপোন দেখিছিলো
আজি সেই গছজোপাৰ,
বিষাক্ত পাতে মোক আহত কৰি তোলে।
কাটিব বিচাৰো, কিন্তু মৰম লাগে....
মায়া জাগে...
বৰ বেয়া লাগে,
বৰ বেয়া লাগে.......
গছ জোপাৰ কথা বৰকৈ মনত পৰে;
গছ জোপাৰ বিষাক্ত পাতবোৰে,
মোক আহত কৰি তোলে,
মোক আহত কৰি তোলে.........

# তুমি



Shivam Roy
FET Dept. (B. Tech 2nd year)

তুমি মোৰ চাকিৰ শিখা যিয়ে,
মোৰ আন্ধাৰ কোঠা পোহৰাই তোলে,
তুমিয়েই সেই সুগন্ধি ফুল যিয়ে,
মোৰ মনটো তোমাৰ প্ৰতি আকৰ্ষিত কৰে।
তুমি মোৰ জীৱনলৈ তৰাৰ দৰে আহিলা,
আৰু মোৰ হৃদয়খন আনন্দৰে ভৰাই তুলিলা।

মোৰ প্ৰতিটো বিষ,
কষ্ট,দুখ তোমাৰ যেন লোৱা,
মোক কোনেও দিব নোৱাৰা মৰম দিলা,
আৰু কান্দিবলৈ কান্ধ এটা দিলা।
মই পৰি থকাৰ সময়ত তুমি মোৰ স্তম্ভ হোৱা,
মই যেতিয়া নিম্ন অনুভৱ কৰোঁ তেতিয়া,
তুমি মোৰ শক্তি হয় থিয় দিয়া।

# সময়


Rajdeep Dutta
CE Dept（Diploma 2nd year)



শুনিছো সময় বোলে বৰ নিষ্ঠুৰ
কিন্তু সময়ৰ জানো কিবা ভুল আছে?
সময় নিজৰ সোঁতত চিৰ ধাৱমান।
নিষ্ঠুৰ কেৱল মানুহবোৰ
যি সময়ক উপহাস কৰে।

সময় এক উপহাৰ,
উপহাৰ বৰ্তমানৰ।

কাৰোবাক যদি কিবা দিব খুজিছা
তেন্তে তোমাৰ অকনমান সময় দিয়া,
কাৰণ বাকী সকলোবোৰেই মূল্য দি কিনিব পাৰি,
কিন্তু সময়.....
নাই নোৱাৰা,
তুমি সময়ক মূল্য দি উভতাই আনিব
অথবা সময়ৰ মূল্য পৰিশোধ কৰিব।
সময় এক উপহাৰ বৰ্তমানৰ।
আমাৰ মৰমৰ ভূপেন হাজৰিকাদেৱে কৈ গৈছে যে
"এটি এটি ক্ষণ যেন মুকুতাৰে ধন
এনেই হেৰুৱালে নাহে উডতি।"
গতিকে এনেই নেহেৰুৱাবা সময়বোৰ।
এই এটি এটি ক্ষণৰ মুকুতা বোৰেৰে নিজৰ জীৱন জিলিকাই তোলা।




# ৰাতিপুৱাবলৈ এতিয়াও বহুপৰ বাকী

Kaushik Kalita
ECE Dept. (Diploma 1st year)



দিকভ্ৰান্ত দোমোজাত নগলে সময় আজি
সূৰ্যোদয় লৈ নাজানো আৰু কিমান বাকী।
কুঁৱলী ফালি নামি আহক এজাক  ৰ'দ,
গলি যাওক এই বিষাক্ত সময় ।
দুভাগ ৰাতি খিৰিকিত  উলমি ৰৈছে জোনাক
লগতে জ্বলিছে মোৰ শব্দৰ দাৱানল,
সিচঁৰিত অনুভৱ চাইৰ কলৰৱ
বুটলি থোৱা কবিতাবোৰ কিন্তু নিৰৱ।।
শেৱালীৰ পাহিতেই গুজি থৈছোঁ শৰতৰ চকুপানী
নিমাও মাও মোৰ কহুৱা ফুলা পৃথিৱী,
জোলোঙাৰে সৰি পৰিছে কেইটামান দেউলগা সপোন
নহয়, আচলতে পেলাই দিছোঁ ভৰ সহিব নোৱাৰি।।
নিয়ৰ সৰা পদূলি মূৰৰ শেৱালীৰ সুবাসে
সুঁৱৰোৱা  এটি সেমেকা সন্ধিয়া
এইয়া মাথোঁ আন দিনৰ দৰেই এটি শৰতৰ নিশা
ৰাতিপুৱাৰ অপেক্ষাত নিশাতিয়ে বিনাই কুহেলিকা সাৰটি।
ৰাতিপুৱাবলৈ যে এতিয়াও বহুপৰ বাকী।




# মানস



Ankita Saikia
ECE Dept. (Diploma 1st Year)

মোৰ মানসপটত আজিও তুমি,
ভাহি আছা সুৰৰ মালিতা হৈ,
আহিছিলা তুমি সুৰৰ দেৱতা হৈ,
সৰগৰ পৰা..
মোৰ আউল লগা
জীৱনৰ আউল ভাঙিবলৈ।
খেপিয়াও চুব নোৱাৰা
তোমাৰ সেই মোহময় চেহেৰা,
ৰ' লাগি চাই থকা
হৰিণাৰ দৰে চকুযুৰি
এতিয়াও মনত পৰে।
মনত পৰে
সেই পুৰণি দিনবোৰলৈ,
য'ত আছে
তোমাৰ মনভৰা হাঁহি
আৰু মনপৰসা অপলক চাৱনি।



# নিস্তেজ



Ankita Saikia
ECE Dept. (Diploma 1st Year)

মাকৰ কাণতালমৰা চিঞৰ শুনি ঘৰৰ পৰা এমাইল দূৰত থকা লিজা দৌৰি গৈ ঘৰৰ পদূলি পালেগৈ। চাৰিওফালে মানুহে বেৰি ধৰিছে। ভিৰৰ মাজেৰে সোমাই গৈ দেখে দেউতাকৰ মৃত শৰীৰটো আৰু কাষতে বহি থকা আউলি-বাউলী মাকজনীক। তাই যেন একো তলকিবই পৰা নাই, কিছুসময় আগতে তাই দেউতাকৰ সৈতে কথা পাতিছিল। কন্দনত মাকৰ কাষচাপি তায়ো কান্দিব ধৰিলে, লিজায়ে ঘৰৰ পৰা ওলাওতে দেউতাকে কোৱা শেষ কথাষাৰলৈ মনত পৰিল,"আই অ' মাৰক চাবি" । লিজাৰ শোকে খুন্দা মাৰি ধৰিলে।

লিজা চৰাইবাহী নামৰ এখন সৰু গাঁৱৰ সাধাৰণ খেতিয়ক গিৰিধৰ শইকীয়াৰ দ্বিতীয় কন্যা। গাঁৱখনৰ প্ৰায় মানুহে খেতি - বাতি কৰিয়েই জীৱন-যাপন কৰিছিল কিন্তু প্ৰত্যেক বছৰে বানত মাটি হেৰুৱাওতে হেৰুৱাওতে এতিয়া গাঁৱখনত প্ৰায় ২০ ঘৰমান মানুহ আছেগৈ। যোৱাবছৰ লিজাহতঁৰো ১০ বিঘা মাটি বানে উটুৱাই নিলে এতিয়া কেৱল এবিঘাহে আছেগৈ। খেতি কৰিবলৈ মাটি নথকা মানুহবোৰ চহৰলৈ কাম বিচাৰি গ'ল, কিছুমানে হাজিৰা কৰিবলৈ ল'লে তেনেকৈ গাঁৱত মানুহৰ সংখ্যা কমি গৈছে। লিজাৰ দেউতাকো পিছে নোজোৰা নহয়, খেতিৰ পইচাৰে বছৰটোৰ পাছৰ দুমাহলৈ জুৰা নমৰিলে, চহৰলৈ গৈ হাজিৰা কৰি চাৰিটা মানুহ পোহপাল কৰে । কিন্তু দুখীয়াৰ দুখ নাতৰাৰ দৰে সিহঁতৰো পৰিয়ালটো কেতিয়াবা লঘোনে শুবলগীয়া হয়।

লিজা এইবাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হ'ব, তাইৰ ওপৰতে দেউতাকৰ সকলো আশা-ভৰসা। ডাঙৰ জীয়েক গীতা, মেট্ৰিক পাছ কৰাৰ পাছতেই ঘৰৰ দূৰৱস্থাৰ কাৰণে কাষৰে গাঁৱৰ দোকানী ৰমেনৰ পুতেক পুলকৰ লগত পলাই গ'ল। খেতিৰ মাটি বন্ধকত দি হলেও পিতৃ কৰ্তব্য পালন কৰি গীতাক বিয়া দিলে কিন্তু লগত দিবলগীয়া বস্তুবোৰহে দিব নোৱাৰিলে পইচাৰ নাটনিৰ বাবে। প্ৰথমে গীতাৰ সংসাৰ খন সুখ-শান্তিৰে ভৰি আছিল কিন্তু যোৱা কেইমাহমানৰ পাছৰ পৰাই শাহুৱেক আৰু গিৰিয়েকে যৌতুকৰ বাবে অত্যাচাৰ চলাইছে। তেনেতে এদিন গীতাক গিৰিয়েকে ঘৰত থৈ আহিল। মাক আৰু ভনিয়েকে আনন্দত আত্মহাৰা হৈ য'ত যি পালে লোণে-শাকে গুটালে। দেউতাকেও ডাঙৰজীয়ৰীৰ পছন্দৰ বৰালী মাছ খুৱাকৰ ঘৰৰ পৰা খুজি আনিলেগৈ। পাছদিনা পুৱায়ে গীতায়ে মাক-ভনীয়েক নুঠাৰ আগতে দেউতাকে বাৰীত কাম কৰি থাকোতে তাইৰ লগত হোৱা দুব্যৱহাৰৰ কথা ক'লে । দেউতাকেও কিছু সময় চিন্তা কৰি জীয়েকক কিবা এটা কৰাৰ আশ্বাস দিলে। দেউতাকৰ কথাখিনি ভাবি ৰাতিটো টোপনি নগ'ল।

পুৱায়ে উঠি, মোনাত ঘৰৰ মাটি সম্বন্ধীয় কাগজ কেইখনমান ভৰাই দেউতাক ওলাই গ'ল। আবেলি সময়ত দেউতাক ঘৰ সোমাই জীয়েকৰ হাতত পইচাৰ টোপোলাটো গুজি দিলে আৰু পুলকক মাতি ভালদৰে বুজাই সুখেৰে থাকিবলৈ দুয়োকে আশীৰ্বাদ দিলে।

সেইদিনা লিজা কলেজৰ পৰা আহি ৰাস্তাত থকা বগৰীজোপাৰ পৰা বগৰী ছিঙি আছিল, মাকো ছাগলীটোক পানী খোৱাবলৈ গৈছিল কিন্তু মাক আহি পোৱাৰ আগতে দেউতাক কেঁচাঘৰটোত সংলগ্ন বাঁহডালত মৰমৰ জীয়েক গীতায়ে বৈ দিয়া গামোচাখনেৰে ওলমি ছীপ লাগি আছিল। নিস্তেজ শৰীৰটো বোজা ল'ব নোৱাৰি শৰীৰটো তলত ঢলি পৰি আছিল আৰু তেওঁৰ অন্তৰৰ চিৎকাৰ চাৰিওফালে বিয়পি পৰিছিল।

# অনুভৱ



Jitmoni Gogoi
FET DEPT (B. TECH 4th YEAR)

যান্ত্রিকতাৰ এই পৃথিবীত
আছে জানো সঁচাৰ পৰশ,
মধুৰ চিন্তাৰ অভাবত
হ'ব জানো সৃষ্টিৰ বিকাশ?

বোমা-বাৰুদৰ খেলাৰ মাজত
কেনেকৈ হ'ব জীবন জ্যোতিৰ প্ৰকাশ?
সু-চিন্তাবিহীন বৰ্তমান পুৰুষে
কেনেকৈ আন্ধাৰ ভেটিব?

জীৱনৰ আলিয়ে-গলিয়ে জীপাল হৈ উঠা
অশ্ৰুৰূপী তেজৰ নৈয়ে দিব জানো
শেৱালিৰ আমোলমোল সুবাস?

শৃংখলাহীন সমাজলৈ আহিব জানো
বসন্তৰ সজীব জীপালতা;
সময়ৰ সোঁতত হেৰাই যাব খোজাঁ
বিচিত্ৰ ধৰাই প্ৰাণ পাব জানো
প্ৰভাতি বেলিৰ পোহৰত,
আমি বাৰু অনুভৱ কৰিমনে?

প্ৰকৃত জ্যোতিৰ সুবাস
সঁচাকৈ আমি কেনেকৈ পৰিত্ৰাণ পাম
এই যান্ত্রিকতাৰ পৰা?